**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-07-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। বিৰোধী পক্ষই বিভিন্ন বিষয় লৈ সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ বাবে ৰাজ্যসভাৰ কাম-কাজ ব্যাহত হয়।

২। দেশত ২০১৪ -১৫ বৰ্ষৰ তুলনাত ৰে'ল দুৰ্ঘটনা ৭৭ শতাংশ হ্ৰাস পাইছে বুলি ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে।

৩। পদ্ম সন্মানসমূহৰ বাবে মনোনয়ন দাখিলৰ সময়সীমা ১৫ আগষ্টলৈ বৃদ্ধি কৰা হৈছে।

৪। ৰাছিয়াৰ কামচাতকা্ উপদ্বীপৰ প্ৰশান্ত মহাসাগৰৰ উপকূলভাগত আজি নিচেই পুৱা ৰিখটাৰ স্কেলত ৮ দশমিক ৮ প্ৰাবল্যৰ এটা শক্তিশালী ভুঁইকপৰ জোকাৰণি অনুভূত হয়। আৰু

৫। ব্ৰাজিলৰ ফজ ড' ইগোৱাছ'ত ডব্লিউ টি টি ষ্টাৰ কণ্টেণ্ডাৰ টেবুল টেনিছ প্ৰতিযোগিতা আজি আৰম্ভ হ'ব।

০০০০০০০

বিৰোধী পক্ষই বিভিন্ন বিষয় লৈ সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ বাবে ৰাজ্যসভাৰ কাম-কাজ ব্যাহত হয়। দিনৰ ১১ বজাত সদন মিলিত হোৱাৰ সময়ত উপসভাপতি হৰিবংশে শূন্যকালৰ কাম আগবঢ়াই নিয়াৰ চেষ্টা চলায় যদিও বিৰোধী পক্ষৰ সাংসদসকলে বিহাৰৰ ভোটাৰ তালিকাৰ বিশেষ সংশোধনকে ধৰি বিভিন্ন বিষয় লৈ আলোচনা কৰাৰ দাবী জনাই সদন উত্তাল কৰি তোলে। বিভিন্ন বিষয় লৈ ভিন ভিন ৰাজনৈতিক দলৰ পৰা ১৮ খন সভাস্থগিতকৰণৰ জাননী লাভ কৰিছে বুলি উপসভাপতিগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে সদন পৰিচালনাৰ বিভিন্ন নিয়মৰ অধীনত এই জাননীসমূহ প্ৰত্যাখান কৰা বুলি প্ৰকাশ কৰে। উপসভাপতিগৰাকীয়ে কয় যে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতুত্ত্যৰস্বৰূপে ভাৰতে চলোৱা শক্তিশালী, সফল আৰু নিৰ্ণায়ক সিন্দুৰ অভিযান সন্দৰ্ভত উচ্চ সদনত আজি পুনৰ আলোচনা হ'ব। উপসভাপতিগৰাকীয়ে সদস্যসকলক শূন্যকালৰ কাৰ্যক্ৰমণিকা চলাই নিয়াত সহযোগিতা কৰিবলৈ আহ্বান জনাই যদিও প্ৰতিবাদৰত সাংসদসকলে তেওঁৰ আহ্বানলৈ কানসাৰ নকৰে। এনে পৰিস্থিতিত শ্ৰীহৰিবংশে সদনৰ কাম-কাজ দুপৰীয়া ১২ বজালৈ স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

০০০০০০

দেশত ২০১৪ -১৫ বৰ্ষৰ তুলনাত ৰে'ল দুৰ্ঘটনা ৭৭ শতাংশ হ্ৰাস পাইছে বুলি ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে। লোকসভাত আজি এটা প্ৰশ্নৰ উত্তৰত শ্ৰীবৈষ্ণৱে এই কথা সদৰি কৰে। তেওঁ কয় যে ২০১৪-১৫ বৰ্ষত দেশত ১৩৫ টা ৰে'ল দুৰ্ঘটনা সংঘটিত হৈছিল আৰু ২০২৪-২৫ বৰ্ষত এনে দুৰ্ঘটনাৰ সংখ্যা ৩১লৈ হ্ৰাস পাইছে। তেওঁ কয়, যে চৰকাৰে থলুৱাভাৱে বিকশাই তোলা স্বয়ংক্ৰিয় ৰে'ল সুৰক্ষা প্ৰণালী কৱছৰ লেখীয়া নতুন প্ৰযুক্তি প্ৰৱৰ্তনেৰে যাত্ৰী আৰু সুৰক্ষাত অগ্ৰাধিকাৰ প্ৰদান কৰিছে।

০০০০০০

তিনি বছৰৰ ভিতৰতে বন্দে ভাৰত ৰে'ল সেৱাই দেশৰ সকলো ৰাজ্যক সামৰি লৈছে। লোকসভাত আজি এটা প্ৰশ্নৰ উত্তৰত ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে সম্প্ৰতি সমগ্ৰ দেশৰ ১৪৪ খন বন্দে ভাৰত ৰে'লগাড়ী চলাচল কৰি আছে। তেওঁ কয় যে বন্দে ভাৰত ৰে'লগাড়ীসমূহৰ প্ৰদৰ্শন উৎসাহজনক হোৱাৰ বাবে বিভিন্ন ৰাজ্যৰ পৰা এনে ৰে'লগাড়ীৰ চাহিদা বৃদ্ধি পাইছে। মধ্যবিত্ত আৰু কম আয়ৰ লোকৰ কল্যানৰ প্ৰতি চৰকাৰ বদ্ধপৰিকৰ বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে বিগত কেইটামান বছৰত সাধাৰণ শ্ৰেণীৰ ডবাৰ সংখ্যা বৃদ্ধি কৰা হৈছে। ৰে'লগাড়ীসমূহত ব্যৱহৃত ৮২ হাজাৰ ডবাৰ ভিতৰত ৭০ শতাংশই সাধাৰণ আৰু শয়ন শ্ৰেণীৰ বুলি শ্ৰীবৈষ্ণৱে প্ৰকাশ কৰে।

oooooo

পদ্ম সন্মানসমূহৰ বাবে মনোনয়ন দাখিলৰ সময়সীমা ১৫ আগষ্টলৈ বৃদ্ধি কৰা হৈছে। এই সন্মানসমূহৰ বাবে অকল ৰাষ্ট্ৰীয় পুৰস্কাৰ পৰ্টেলৰ জৰিয়তে দাখিল কৰা মনোনয়নহে গ্ৰহণ কৰা হ'ব। অহা বছৰ গণৰাজ্য দিৱসৰ দিনা ঘোষণা কৰিবলগীয়া এই সন্মানসমূহৰ বাবে মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া যোৱা ১৫ মাৰ্চত আৰম্ভ হৈছে। বিভিন্ন ক্ষেত্ৰত লাভকৰা অভূতপূৰ্ব সাফল্য আৰু সেৱাৰ স্বীকৃতিস্বৰূপে এই সন্মানসমূহ প্ৰদান কৰা হয়।

oooooo

Scindia Cyber Fraud (24-06-2024) NSD 1340

যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই সঞ্চাৰ সাথী পদক্ষেপৰ সহায়ত ১ কোটি ৩৬ লাখতকৈও অধিক ভুৱা মোবাইল সংযোগ বিচ্ছিন্ন কৰা বুলি প্ৰকাশ কৰিছে। আজি লোকসভাত পৰিপূৰক প্ৰশ্নৰ উত্তৰত শ্ৰীসিন্ধিয়াই কয় যে সঞ্চাৰ সাথী পোৰ্টেলত এতিয়ালৈ ৩৫ লাখতকৈও অধিক লোকে মোবাইল চুৰি হোৱাৰ অভিযোগ দাখিল কৰিছে। তাৰ ভিতৰত ২১ লাখ মোবাইল উদ্ধাৰ কৰা হোৱাৰ লগতে ৫ লাখতকৈও অধিক মোবাইল ফোন গৰাকীৰ হাতত গতাই দিয়া হৈছে। চাইবাৰ অপৰাধ আৰু বিত্তীয় প্ৰবঞ্চনা ৰোধ কৰাৰ বাবে দূৰসংযোগ সম্পৰ্কীয় আহিলাসমূহৰ অপব্যৱহাৰ সন্দৰ্ভত তথ্য প্ৰকাশ কৰাৰ বাবে সঞ্চাৰ সাথী পোৰ্টেল মুকলি কৰা হৈছে।

ooooooo

ৰাছিয়াৰ কামচাতকা উপদ্বীপৰ প্ৰশান্ত মহাসাগৰৰ উপকূলভাগত আজি নিচেই পুৱা ৰিখটাৰ স্কেলত ৮ দশমিক ৮ প্ৰাবল্যৰ এটা শক্তিশালী ভূঁইকপৰ জোকাৰণি অনুভূত হয়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভূ-তাত্ত্বিক জৰিপ বিভাগে প্ৰকাশ কৰা মতে প্ৰাৰম্ভিক অৱস্থাত এই ভূঁইকপৰ প্ৰাবল্য ৮ দশমিক ৭ বুলি লিপিবদ্ধ কৰা হৈছে। এই ভূমিকম্পক ২০১১ চনৰ জাপানৰ ভূমিকম্পৰ পাছৰ সবাতোকৈ শক্তিশালী বুলি গণ্য কৰা হৈছে। ভমিকম্পৰ অভিকেন্দ্ৰ সমুদ্ৰৰ তীৰৰ পৰা ১৩৬ মিটাৰ নিলগত ১৯ কিলোমিটাৰ গভীৰতাত বুলি কোৱা হৈছে। ৰাছিয়াৰ চৰকাৰী সংবাদ মাধ্যমৰ বাতৰি অনুসৰি ভূমিকম্পৰ পাছত চুনামিৰ তিনিটাকৈ লহৰে বন্দৰনগৰী ছেৱেৰ-কুৰিলস্কত খুন্দা মাৰিছে। ভূমিকম্পৰ ফলত বন্দৰটোৰ আন্তঃগাঁথনিৰ ক্ষতি হৈছে আৰু কেইবাখনো জাহাজ সমুদ্ৰ সংযোগকাৰী জলপ্ৰবাহত উটি গৈছে।

প্ৰশান্ত চুনামি সতৰ্কতা কেন্দ্ৰই ৰাছিয়া, জাপান আৰু প্ৰশান্ত মহাসাগৰৰ দ্বীপ ৰাষ্ট্ৰসমূহৰ বাবে চুনামিৰ সতৰ্কতা জাৰি কৰিছে। ৰাছিয়াৰ কামচাতকা্ উপদ্বীপত ৩ ৰ পৰা ৪ মিটাৰ উচ্চতাৰ ঢৌ উঠা দেখা গৈছে। উপদ্বীপটোৰ জনসাধাৰণক নিৰাপদ স্থানলৈ যাবলৈ আৰু সমুদ্ৰৰ তীৰৰ পৰা আতৰি আহিবলৈ পৰামৰ্শ দিয়া হৈছে।

oooooo

চীনত কো-মে ঘূৰ্ণী বতাহৰ ফলত ঝেজিয়াং প্ৰদেশত ভূমিস্খলন হৈছে। স্থানীয় বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা অনুসৰি চলিত বৰ্ষত দেশখন এয়া অষ্টম বাৰৰ বাবে ঘূৰ্ণীবতাহৰ কবলত পৰিছে। প্ৰতি ছেকেণ্ডত ২৩ মিটাৰ গতিত বলা এই ঘূৰ্ণী বতাহ ঘণ্টাত ১৫ৰ পৰা ২০ কিলোমিটাৰ বেগেৰে দক্ষিণ-পশ্চিম দিশে ৰাওনা হৈছে। দেশখনত দুৰ্যোগ সঁহাৰি বাহিনীৰ কাম-কাজ ত্বৰান্বিত কৰা হৈছে।

ooooooo

বিধি বলবৎকাৰী সঞ্চালকালয়ে চিকিৎসা সামগ্ৰী যোগান সম্পৰ্কীয় এটা অভিযোগ সন্দৰ্ভত ছত্তিশগড়ৰ কেইবাটাও স্থানত অভিযান চলাইছে। এটা বিবৃতিত প্ৰকাশ কৰা অনুসৰি ছত্তিশগড় চিকিৎসা সেৱা কৰ্পোৰেচন লিমিটেডৰ বিষয়া তথা মোক্ষিত কৰ্পোৰেচন শশাংক চোপ্ৰাৰ সৈতে সম্পৰ্ক থকা কেইবাটাও স্থানত এই অভিযান চলোৱা হৈছে।

ooooooo

জম্মু-কাশ্মীৰৰ পুঞ্চত আজি চলোৱা এটা সন্ত্ৰাসবাদবিৰোধী অভিযানত নিৰাপত্তা বাহিনীয়ে নিয়ন্ত্ৰণ ৰেখা অতিক্ৰম কৰিবলৈ চেষ্টা চলোৱা লস্কৰ-ই-তৈবা গোটৰ দুজন সন্ত্ৰাসবাদীক গুলীয়াই হত্যা কৰে। আজি পুৱাৰ ভাগত নিয়ন্ত্ৰণ ৰেখাৰ সমীপত সন্দেহজনক চালচলন পৰিলক্ষিত হোৱাৰ পৰিপ্ৰেক্ষিতত নিৰাপত্তা বাহিনীয়ে এই অভিযান চলায়। শেহতীয়াকৈ ২২ এপ্ৰিলত পেহেলগামত হোৱা আক্ৰমণত জড়িত সন্ত্ৰাসবাদীক হত্যা কৰাৰ পাছত আজি আৰু দুজন সন্ত্ৰাসবাদী নিহত হয়। ঘটনাস্থলীৰ পৰা মাৰণাস্ত্ৰও জব্দ কৰা হৈছে।

আনহাতে, আজি চলোৱা আন এটা অভিযানত কাশ্মীৰ অভিমুখে গৈ থকা অৱস্থাত নাগৰোটাত সন্ত্ৰাসবাদী কাৰ্যকলাপত জড়িত এজন লোকক আৰক্ষীয়ে আটক কৰে। আজান হামিদ গাজি নামৰো লোকজনৰ জিম্মাৰ পৰা তিনিটা পিষ্টল, মেগজিন তথা কিছু কাৰ্টিজ জব্দ কৰা হয়। ঘটনা সন্দৰ্ভত এখন বাহন জব্দ কৰা হোৱাৰ লগতে নাগৰোটা আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰাৰ উপৰি অনুসন্ধান অব্যাহত ৰখা হৈছে।

ooooooo

ব্ৰাজিলৰ ফজ ড' ইগোৱাছ'ত আজি চলিত বৰ্ষৰ ডব্লিউ টি টি ষ্টাৰ কণ্টেণ্ডাৰ টেবুল টেনিছ প্ৰতিযোগিতা আৰম্ভ হ'ব।

প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছত মানৱ থক্কৰ, হৰমিত দেশাই, মনুছ শ্বাহ, স্নেহিত ছুৰাভাজ্জুলা, পায়ছ জৈন আৰু অংকুৰ ভট্টাচাৰ্যীয়ে দেশক প্ৰতিনিধিত্ব কৰিব।

মহিলাৰ ছিংগলছত আগশাৰীৰ মণিকা বাট্ৰাৰ উপৰি ঐহিকা মুখাৰ্জী, দিয়া ছিতালে, য়শস্বীনী ঘোৰপাড়ে আৰু স্বস্তিকা ঘোষে দেশক নেতৃত্ব দিব।

পুৰুষৰ ডাবলছত মানৱ থক্কৰ আৰু মনুছ শ্বাহ, পায়ছ জৈন আৰু অংকুৰ ভট্টাচাৰ্য্যী আৰু হৰমিত দেশাই আৰু স্নেহিত ছুৰাভাজ্জুলাই দেশৰ হৈ প্ৰতিদ্বন্দ্বিতা কৰিব।

ইপিনে মহিলাৰ ডাবলছ দিয়া ছিতালে আৰু য়শস্বীনী ঘোৰপাড়েৰ যুটীটোৱে দেশলৈ সুনাম কঢ়িয়াই অনাৰ প্ৰয়াস কৰিব।

প্ৰতিযোগিতাৰ মিক্সড ডাবলছ শিতানত ভাৰতৰ হৈ দুটা দল অৱতীৰ্ণ হ'ব। ইয়াৰে প্ৰথমটো দলত দিয়া ছিতালে আৰু মনুছ শ্বাহ আৰু দ্বিতীয়টো দলত হৰমিত দেশাই আৰু য়শস্বীনী ঘোৰপাড়ে আছে।

০০০০০০০

২০২৬ বৰ্ষৰ মহিলাৰ এ এফ চি এছিয়ান কাপ ফুটবল প্ৰতিযোগিতাত ভাৰতে জাপান, ভিয়েটনাম আৰু চীনা টাইপেইৰ সৈতে গ্ৰুপ-চিত স্থান লাভ কৰিছে। অষ্ট্ৰেলিয়াৰ ছিডনীত থকা টাউন হলত কালি প্ৰতিযোগিতাৰ বাবে ড্ৰ অনুষ্ঠিত হয়।

এইবেলি প্ৰথমবাৰৰ বাবে ভাৰতে যোগ্যতাৰ ভিত্তিত প্ৰতিযোগিতাখনত স্থান নিশ্চিত কৰিছে। ইয়াৰ আগৰ সংস্কৰণত ভাৰতে আয়োজক দেশ হিচাপে প্ৰতিযোগিতালৈ যোগ্যতা অৰ্জন কৰিছিল।

প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলগীয়া দলসমূহক তিনিটা গ্ৰুপত বিভক্ত কৰা হৈছে। ইয়াৰে গ্ৰুপ-এত অষ্ট্ৰেলিয়া, কোৰিয়া গণৰাজ্য অৰ্থাৎ দক্ষিণ কোৰিয়া, ইৰান আৰু ফিলিপিনছ আছে। ইপিনে গ্ৰুপ-বিত ডি পি আৰ কোৰিয়া অৰ্থাৎ উত্তৰ কোৰিয়া, চীন, বাংলাদেশ আৰু উজবেকিস্তানক ৰখা হৈছে।

০০০০০০০